# অৰ্জুনৰ বিষাদ-যোগ

ধৃতৰাষ্ট্ৰই সুধিলে, হে সঞ্জয়, ধৰ্ম-ভূমি কুৰুক্ষেত্ৰত পাণ্ডৱসকলৰ লগত মোৰ পুত্ৰইঁতে যুঁজৰ ইচ্ছাৰে সমবেত হৈ কি কৰিলে? সঞ্জয়ে উত্তৰ দিলে পাণ্ডৱ সেনাসবক বেহ্বৰ ভিতৰত সজ্জিত দেখি ৰজা দুৰ্য্যোধনে দ্ৰোণাচাৰ্যৰ ওচৰলৈ গৈ ক'বলৈ ধৰিলে। হে আচাৰ্য, আপোনাৰ ধীমান শিষ্য দ্ৰুপদ-পুত্ৰ (ধৃষ্টদ্যুম্ন)ৰ লগত বেহ্বৰ আকাৰত প্ৰস্তুত পাণ্ডৱসকলৰ এই বিশাল সৈন্য বাহিনী চাওক। এই বাহিনীত ভীম-অৰ্জুনৰ সম মহাধনুৰ্দ্ধৰ বীৰসকল আছে। যুযুধান (সাত্যকি), বিৰাট, মহাৰথ দ্ৰুপদ, ধৃষ্টকেতু চেকিতান, বীৰ্যবান কাশীৰাজ পুৰুজিৎ, কুন্তি-ভোজ, নৰ পুংগৱ শৈব্য, যুধামন্যু, বিক্ৰমী উত্তমৌজা, সুভদ্ৰাৰ পুত্ৰ অভিমন্যু আৰু দ্ৰৌপদীৰ পঞ্চম পুত্ৰ, তেওঁলোক সকলোৰে মহাৰথী। হে দ্বিজ শ্ৰেষ্ঠ, আমাৰ সেনা বাহিনীৰো বিশিষ্ট সেনাপতিসকলক জানি থওক। আপোনাৰ জ্ঞাতাৰ্থে তেওঁলোকৰ নাম কৈছোঁ। আপুনি, ভীষ্ম, কৰ্ণ সমৰ বিজয়ী কৃপা, অশ্বত্থামা, বিকৰ্ণ, সৌমদত্তৰ পুত্ৰ (ভুৰিশ্ৰবা) আৰু জয়দ্ৰথ। মোৰ কাৰণে প্ৰাণ দিবলৈ আৰু বহুতো বীৰ অস্ত্ৰ-শস্ত্ৰৰে সাজু আছে। তেওঁলোক সকলোৰে যুদ্ধত বিশাৰদ। ভীষ্মই আমাৰ অপৰিসীম সেনবাহিনী পৰিচালনা কৰিলেও যুঁজত অসমৰ্থ যেন অনুমান হয়। কিন্তু ভীম সেনাপতিয়ে পৰিচালনা কৰা সেনা বাহিনী সীমিত হ'লেও সমৰ্থ হেন লাগে। আপোনালোক সকলোৱে নিজৰ নিজৰ যুদ্ধ-ভূমিত থাকি ভীষ্মক ভালদৰে ৰক্ষা কৰি থাকক। তেতিয়া তেওঁৰ (দুৰ্য্যোধনৰ) হৰ্ষৰ নিমিত্তে কুৰুবংশৰ প্ৰতাপী বৃদ্ধ পিতামহ ভীষ্মই উচ্চস্বৰে শঙ্খ বজালে। তাৰ পাছত শঙ্খ ভেৰী, পনৱ, আনক, গোমুখ আদি মহাশব্দে বাজি উঠিল; তুমুল শব্দ হ'ল। তাৰ পাছত বগা ঘোঁৰাই টনা মহাৰথত বৈ শ্ৰীকৃষ্ণ আৰু অৰ্জুনে দুটা দিব্য শঙ্খ বজালে। শ্ৰীকৃষ্ণই পাঞ্চজন্য, অৰ্জুনে দেবদত্ত আৰু ভীমকৰ্মা বৃকোদৰে (ভীম) পৌণ্ড নামৰ মহা শঙ্খ বজালে।

হে মহাৰাজ, কুন্তী পুত্ৰ ৰজা যুধিষ্ঠিৰে অনন্ত বিজয় নকুলে সুঘোষ আৰু সহদেৱে মণিপুষ্পক শঙ্খৰ ধ্বনি কৰিলে। মহা ধনুৰ্দ্ধৰ কাশীৰাজ, মহাৰথ শিখণ্ডী

ধৃষ্টদ্যুম্ন, বিৰাট, অপৰাজেয় সাত্যকি, দ্রুপদ দ্রোপদীৰ পঞ্চপুত্র আৰু বীৰবাহু সুভদ্ৰাপুত্ৰই পৃথকে পৃথকে শঙ্খ ধ্বনি কৰিলে। সেই মহাশব্দই আকাশ পৃথিৱী প্ৰতিধ্বনিত কৰি ধৃতৰাষ্ট্ৰ পক্ষৰ হৃদয় বিদাৰণ কৰিলে। হে ৰাজন,— ধৃতৰাষ্ট্ৰ পক্ষীয় সকলে অস্ত্ৰ নিক্ষেপ কৰিবলৈ ওলোৱা দেখি কপিধ্বজ অৰ্জুনে হাতত ধনু তুলি লৈ হৃষীকেশ শ্ৰীকৃষ্ণই এই কথা ক'বলৈ ধৰিলে।

অৰ্জুনে ক'লে হে অচ্যুত, উভয় সেনাৰ মাজত মোৰ ৰথ ৰাখা। যুঁজিবলৈ অহা বীৰসকলক চাওঁ। মই কাৰ লগত যুদ্ধ কৰিব লাগিব? দুৰ্বুদ্ধি দুৰ্য্যোধনৰ প্ৰীতি কৰিবলৈ ইয়াত যুদ্ধাৰ্থে যি সকল সমবেত হৈছে তেওঁলোকক এবাৰ চাওঁ।

সঞ্জয়ে ক'লে— হে মহাৰাজ, অৰ্জুনৰ এই কথাত শ্ৰীকৃষ্ণই উভয় পক্ষীয় সেনাৰ মাজত, ভীষ্ম-দ্ৰোণৰ আৰু আন আন ৰজাৰ সন্মুখত উত্তম ৰথখন ৰখাই ক'লে, হে পাৰ্থ, কুৰুপক্ষীয় বীৰসকলক চোৱা। অৰ্জুনে তাত উভয় পক্ষীয় সেনাৰ মাজত পিতৃব্য, পিতামহ, আচাৰ্য্য, মোমায়েক, ভায়েক-ককায়েক, পুতেক, নাতিয়েক বন্ধু-বান্ধৱ আৰু শহুৰেকসকলক দেখিলে। বন্ধু-বান্ধৱসকলে যুদ্ধৰ অৰ্থে প্ৰস্তুত দেখি সেই কুন্তীপুত্ৰ অৰ্জুনে দয়া পৰবশ হৈ মহা দুঃখেৰে ক'বলৈ ধৰিলে। হে কৃষ্ণ, যুদ্ধ কৰিবলৈ অহা এই স্বজনসকলক সন্মুখত দেখি মোৰ শৰীৰ অৱশ হৈছে আৰু মুখ শুকাই গৈছে। মোৰ শৰীৰ কঁপিছে, গাৰ নোম শিহৰি উঠিছে, হাতৰপৰা গাণ্ডীৱ সুলকি পৰিছে আৰু গাৰ ছাল দগ্ধ হৈছে। হে কেশৱ, মই ৰথত থাকিব নোৱাৰোঁ অত্যন্ত অস্থিৰ হৈছোঁ আৰু নানান অশুভ লক্ষণ দেখিছোঁ। যুদ্ধত আত্মীয়ক বধি একো লাভ নেদেখোঁ। হে কৃষ্ণ বিজয় আকাঙ্ক্ষা নকৰোঁ, ৰাজ্যকো ইচ্ছা নকৰোঁ আৰু সুখো নালাগে। হে গোবিন্দ, আমাৰ ৰাজ্য ভোগৰ কি প্ৰয়োজন? যি সকলৰ কাৰণে ৰাজ্য বা সুখ ভোগ কামনা সেই আচাৰ্য পিতামহ পিতৃব্য আৰু মোমাই-শহুৰ-নাতি আদি আত্মীয়সকলে ধন প্ৰাণৰ মায়া এৰি যুদ্ধৰ কাৰণে প্ৰস্তুত হৈছে। হে মধুসূদন, ত্ৰৈলোক্য ৰাজ্যৰ আধিপত্য পালেও বন্ধুসকলক বধ নকৰোঁ। এওঁলোকে মোক মাৰি পেলালেও মই এওঁলোকক হত্যা কৰিবলৈ ইচ্ছা নকৰোঁ।

হে মাধৱ, আততায়ী হ'লেও এওঁলোকক বধ কৰিলে পাপে চুব। সেই বাবে ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলক সবান্ধৱে বধ কৰিব নোৱাৰোঁ। স্বজনক বধ কৰি কেনেকৈ সুখী হ'ম? হে জনাৰ্দ্দন, লোভৰ বশবৰ্তী হৈ এওঁলোকে কুলক্ষয় আৰু মিত্ৰদ্ৰোহৰ পাতক দেখা নাই, কিন্তু আমি কুলক্ষয় দোষ দেখিও কিয় সেই পাপৰপৰা নিবৃত্তি নহ'ম? কুলক্ষয় হ'লে কুলধৰ্ম নষ্ট হ'ব। ধৰ্ম নষ্ট হ'লে অৱশিষ্ট কুলকো অধৰ্মে ব্যাপিব। হে কৃষ্ণ, অধৰ্মৰ প্ৰভাৱত কুলস্ত্ৰীসব দুষ্টা হ'ব। স্ত্ৰীসব দুষ্টা হ'লে বৰ্ণসঙ্কৰৰ

জন্ম হয়। বৰ্ণসঙ্কৰ হ'লে কুল নৰকলৈ গতি কৰে। তেতিয়া জল-পিণ্ড লোপ হৈ পিতৃপুৰুষসকল নৰকত পৰে। এইবোৰ কুল বিনষ্টকাৰী বৰ্ণসঙ্কৰ দোষত সনাতন জাতিধৰ্ম আৰু কুল ধৰ্ম বিনষ্ট হয়। হে জনাৰ্দ্দন, যি সকলৰ কুল-ধৰ্ম বিনষ্ট হয় তেওঁলোক চিৰকাল নৰকত বাস কৰে বুলি শুনিছোঁ। হায়, হায় মই মহাপাপ কৰিবলৈ ওলাইছোঁ। ৰাজ্য সুখৰ লোভত স্বজন বধিবলৈ উদ্যত হৈছোঁ। মই অস্ত্ৰ নলওঁ, আত্মৰক্ষা নকৰোঁ। এই সুযোগতে যদি ধৃতৰাষ্ট্ৰৰ পুতেকসকলে মোক বধ কৰে, সেয়াও চেষ্টা মোৰ পক্ষে মংগলজনক। সঞ্জয়ে ক'লে, ইয়াকে কৈ অৰ্জুনে শোকাকুল হৈ ধেনু-শৰ এৰি ৰথৰ ওপৰত বহি ৰ'ল।